25-11-2024 প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

"মৰমৰ সন্তানসকল – শান্তিৰ গুণ হৈছে সকলোতকৈ ডাঙৰ গুণ, সেইবাবে শান্তিৰে কোৱা, অশান্তি বিয়পাই দিয়াটো বন্ধ কৰা"

প্ৰশ্ন: সংগমযুগত পিতাৰ পৰা সন্তানসকলে কেনেধৰণৰ সম্পত্তি লাভ কৰে? গুণৱান সন্তানসকলৰ লক্ষণ কি হ'ব?

উত্তৰ: প্ৰথম সম্পত্তি লাভ কৰে জ্ঞানৰ, দ্বিতীয়তে শান্তিৰ, তৃতীয়তে গুণৰ। গুণৱান সন্তান সদায় আনন্দিত হৈ থাকিব। কাৰো অৱগুণ নাচাব, কাৰো বিৰুদ্ধে ওজৰ-আপত্তি নকৰিব, যাৰ অৱগুণ আছে তেওঁৰ সংগও নল'ব। কোনোবাই কিবা ক'লে শুনিও নুশুনা হৈ নিজৰ আনন্দত থাকিব।

ওঁম্ শান্তি। আত্মিক পিতাই আত্মিক সন্তানসকলক বুজায়। প্ৰথমে তোমালোকে পিতাৰ পৰা জ্ঞান ৰূপী সম্পদ প্ৰাপ্ত কৰি আছা। পিতাৰ পৰাও গুণ গ্ৰহণ কৰিব লাগে আকৌ এই চিত্ৰবোৰৰ (লক্ষ্মী নাৰায়ণৰ) পৰাও গুণ গ্ৰহণ কৰিব লাগে। পিতাক শান্তিৰ সাগৰ বুলি কোৱা হয়। সেই বাবে শান্তিও ধাৰণ কৰিব লাগে। শান্তিৰ বাবেই পিতাই বুজায় – ইজনে সিজনৰ সৈতে শান্তিৰে বাৰ্তালাপ কৰা। এই গুণটি গ্ৰহণ কৰা। জ্ঞানৰ গুণটো গ্ৰহণ কৰিয়েই আছা। এই জ্ঞান পঢ়িব লাগে। এই জ্ঞান কেৱল এই বিচিত্ৰ পিতাইহে পঢ়ায়। বিচিত্ৰ আত্মাসকলে (সন্তানসকলে) পঢ়ে। এয়া হৈছে ইয়াৰ নতুন বিশেষত্ব, যাৰ বিষয়ে আন কোনেও নাজানে। শ্ৰীকৃষ্ণৰ নিচিনা দৈৱীগুণো ধাৰণ কৰিব লাগে। পিতাই বুজাইছে – মই শান্তিৰ সাগৰ সেইবাবে ইয়াত শান্তি স্থাপনা কৰিব লাগে। অশান্তি শেষ হ'ব লাগে। নিজৰ চাল-চলন পৰীক্ষা কৰিব লাগে - মই কিমানলৈকে শান্ত হৈ থাকোঁ। বহুত পুৰুষলোক আছে যিসকলে শান্তি পচন্দ কৰে। এইটো বুজি পায় যে শান্ত হৈ থকাটো ভাল। শান্তি গুণটিও বহুত মহান। কিন্তু শান্তি কেনেকৈ স্থাপনা হ'ব, শান্তিৰ অৰ্থ কি – এইটো ভাৰতবাসী সন্তানসকলে নাজানে। পিতাই ভাৰতবাসীৰ বাবেই ক'ব। পিতা আহেও ভাৰততে। এতিয়া তোমালোকে বুজি পোৱা যে আন্তৰিক শান্তিও থকা উচিত। এনেকুৱা নহয় যে কোনোবাই অশান্তিৰ সৃষ্টি কৰিলে নিজেও অশান্ত হৈ যাবা। নহয়, অশান্ত হোৱা এইটোও হৈছে অৱগুণ। অৱগুণ আঁতৰাব লাগে। প্ৰত্যেকৰ পৰা গুণ গ্ৰহণ কৰিব লাগে। অৱগুণৰ ফালে চাবও নালাগে। আৱাজ আদি শুনিলেও নিজে শান্ত হৈ থাকিব লাগে কিয়নো বাপ আৰু দাদা দুয়ো শান্ত হৈ থাকে। কেতিয়াও উত্তেজিত নহয়। চিঞৰ-বাখৰ নকৰে। এই ব্ৰহ্মায়ো এইটো শিকিলে নহয়। যিমানেই শান্ত হৈ থাকিবা, সিমানেই ভাল। শান্তিৰেহে স্মৰণ কৰিব পৰা যায়। অশান্তিত থকাসকলে স্মৰণ কৰিব নোৱাৰে। প্ৰত্যেকৰে পৰা গুণ গ্ৰহণ কৰিবই লাগে। দত্তাত্ৰেয় (এজন হিন্দু সন্ত, তেওঁ সকলোৰে পৰা গুণ গ্ৰহণ কৰিছিল আৰু সকলোকে নিজৰ গুৰু বুলি জ্ঞান কৰিছিল) আদিৰ দৃষ্টান্তও এতিয়াৰে। দেৱতাসকলৰ নিচিনা গুণৱানতো কোনো নাথাকে। এটাই বিকাৰ হৈছে মুখ্য, তাৰ ওপৰত তোমালোক বিজয়ী হৈ আছা, বিজয়ী হৈয়ে থাকা। কৰ্মেন্দ্ৰিয়ৰ ওপৰত বিজয় প্ৰাপ্ত কৰিব লাগে। অৱগুণ বিলাক ত্যাগ কৰিব লাগে। চাবও নালাগে, ক'বও নালাগে। যাৰ গুণ আছে তেওঁৰ ওচৰতহে যাব লাগে। বহুত শান্ত মধুৰ হৈ থাকিব লাগে। অলপ কথাৰেই তোমালোকে বহুত কাম কৰিব পাৰা। সকলোৰে পৰা গুণ গ্ৰহণ কৰি গুণৱান হ'ব লাগে। যিসকল বিচাৰ বুদ্ধি সম্পন্ন, জ্ঞানী তেওঁলোকে শান্তিত থকাতো পচন্দ কৰে। কিছুমান ভক্তলোক জ্ঞানীসকলতকৈও বিচাৰ বুদ্ধি সম্পন্ন আৰু বিনয়ী হয়। বাবাতো অনুভৱী হয় নহয়। এওঁ (ব্ৰহ্মা বাবা) যি গৰাকী লৌকিক পিতাৰ সন্তান আছিল, তেওঁ শিক্ষক আছিল, বহুত বিনয়ী আৰু শান্ত আছিল। কেতিয়াও ক্ৰোধৰ বশৱৰ্তী নহৈছিল। যেনেকৈ সাধু লোক হ'লে তেওঁৰ মহিমা কৰা হয়, ভগৱানক পাবৰ বাবে পুৰুষাৰ্থ কৰি নাথাকে জানো। কাশীত, হৰিদ্বাৰত গৈ থাকিবলৈ লয়। সন্তানসকল বহুত শান্ত আৰু মধুৰ হৈ থাকিব লাগে। ইয়াত যদি কোনোবা অশান্ত হৈ থাকে তেন্তে শান্তি বিলোৱাৰ নিমিত্ত হ'ব নোৱাৰে। অশান্তিত থকাসকলৰ সৈতে কথাও পাতিব নালেগে। দূৰৈত থাকিব লাগে। পাৰ্থক্য নাই জানো। সেয়া বগলী আৰু সেয়া হংস। হংসই সদায় মুকুতা গ্ৰহণ কৰি থাকে। উঠোঁতে, বহোঁতে, চলোঁতে জ্ঞান মন্থন কৰি থাকিবা। গোটেই দিন বুদ্ধিত যাতে এইটোৱে থাকে - কাৰোবাক কেনেকৈ বুজাব পৰা যায়, পিতাৰ পৰিচয় কেনেকৈ দিব পৰা যায়।

পিতাই বুজাইছে - যিসকল সন্তান ইয়ালৈ আহে তেওঁলোকৰ দ্বাৰা প্ৰ-পত্ৰ পূৰোৱা হয়। সেৱাকেন্দ্ৰত যেতিয়া কোনোৱে পাঠ্যক্ৰম কৰিবলৈ আহে তেতিয়া তেওঁৰ দ্বাৰা প্ৰ-পত্ৰ পূৰাব লাগে, পাঠ্যক্ৰম নকৰিলে প্ৰ-পত্ৰ পূৰোৱাৰ দৰকাৰ নাই। প্ৰ-পত্ৰ এই কাৰণেই পূৰ কৰিব দিয়া হয় যাতে তোমালোকে এইটো জানিব পাৰা যে তেওঁলোকে কি ভাবে? তোমালোকে কি কি বুজাবা? কিয়নো জগতত এই কথাবিলাক কোনেও বুজি নাপায়। গতিকে প্ৰ-পত্ৰৰ পৰা তেওঁলোকৰ বিষয়ে সকলো জানিব পাৰি। পিতাৰ সৈতে কোনোবা লগ কৰিব আহিলেও প্ৰ-পত্ৰ পূৰাব লাগে। তেতিয়া বুজিব পৰা যায় পিতাক কিয়

লগ কৰিব বিচাৰে? কোনোবা আহিলে তেতিয়া তেওঁক হদ আৰু বেহদৰ পিতাৰ পৰিচয় দিব লাগে কিয়নো তোমালোকক বেহদৰ পিতা আহি নিজৰ পৰিচয় দিছে সেইবাবে তোমালোকে আকৌ আনকো পিতাৰ পৰিচয় দিয়া। তেওঁৰ নাম হৈছে 'শিৱবাবা'। "শিৱ পৰমাত্মায়ে নমঃ" বুলি নকয় জানো। তেওঁলোকে শ্ৰীকৃষ্ণক দেৱতায়ে নমঃ বুলি ক'ব। শিৱক "শিৱ পৰমাত্মায়ে নমঃ" বুলি ক'ব। পিতাই কয় - মোক স্মৰণ কৰিলে তোমালোকৰ পাপ খণ্ডন হ'ব। মুক্তি, জীৱনমুক্তিৰ উত্তৰাধিকাৰ পাবলৈ পৱিত্ৰ আত্মা নিশ্চয় হ'বলগীয়া হয়। সেইখন হয়েই পৱিত্ৰ সৃষ্টি, যিখনক সতোপ্ৰধান সৃষ্টি বুলি কোৱা হয়। পিতাই কয় - তালৈ যদি যাব বিচৰা তেন্তে মোক স্মৰণ কৰা। এয়াতো বহুত সহজ। যিকোনো লোককে প্ৰ-পত্ৰ পূৰ কৰোৱাই তোমালোকে পাঠ্যক্ৰম কৰোৱা। এদিন পূৰ কৰোৱা তাৰপাছত বুজোৱা আকৌ প্ৰ-পত্ৰ পূৰোৱা, তেতিয়া বুজি পাবা যে তোমালোকে তেওঁলোকক যি বুজালা সেয়া স্মৃতিত আছে নে নাই। তোমালোকে দেখিবা যে দুয়োটা দিনৰ প্ৰ-পত্ৰত পাৰ্থক্য নিশ্চয় থাকিব। তৎক্ষণাৎ তোমালোকে বুজিবা – কি বুজি পালে? আমি যি বুজালোঁ তাৰ ওপৰত বিচাৰ কৰিলেনে নে নাই? এই প্ৰ-পত্ৰ সকলোৰে লগত থাকিব লাগে। পিতাই মুৰুলীত নিৰ্দেশনা দিয়ে গতিকে ডাঙৰ ডাঙৰ সেৱাকেন্দ্ৰসমূহে সেয়া তৎক্ষণাৎ কাৰ্যত ৰূপায়িত কৰিব লাগে। প্ৰ-পত্ৰ ৰাখিব লাগে। নহ'লেনো কেনেকৈ জানিব পৰা যাব। নিজেও অনুভৱ কৰিব - কালি কি লিখিছিলোঁ, আজি কি লিখিছোঁ? প্ৰ-পত্ৰৰতো অতি আৱশ্যক। বেলেগ বেলেগে ছপালেও একো অসুবিধা নাই। নহ'লে এঠাইতে ছপা কৰি সকলো ফালে বিতৰণ কৰিব লাগে। এয়া হৈছে আনৰ কল্যাণ কৰা।

তোমালোক সন্তানসকল ইয়ালৈ দেৱী-দেৱতা হ'বলৈ আহিছা। 'দেৱতা' শব্দটি অতি উচ্চ। দৈৱীগুণ ধাৰণ কৰাসকলক দেৱতা বুলি কোৱা হয়। এতিয়া তোমালোকে দৈৱীগুণ ধাৰণ কৰি আছাহঁক গতিকে য'ত প্ৰদৰ্শনী বা যাদুঘৰ আছে তাত বহুত প্ৰ-পত্ৰ থকা উচিত। তেতিয়া অৱস্থা কেনেকুৱা সেয়া জানিব পৰা যায়। বুজিলৈ আকৌ বুজাব লাগে। সন্তানসকলেতো সদায় গুণৰহে বৰ্ণনা কৰিব লাগে, অৱগুণ কেতিয়াও নহয়। তোমালোক গুণৱান নোহোৱা জানো! যাৰ বহুত গুণ থাকিব তেওঁ আনকো বিলাব। অৱগুণ থকাসকলে কেতিয়াও গুণ বিলাব নোৱাৰে। সন্তানসকলে জানে যে এতিয়া বেছি সময় নাই। পুৰুষাৰ্থ বহুত কৰিব লাগে। পিতাই বুজাইছে – তোমালোকে নিতৌ ফুৰা-চকা কৰা, যাত্ৰা কৰি থাকা। এয়া যি গায়ন আছে অতীন্দ্ৰিয় সুখৰ বিষয়ে গোপ-গোপীসকলক সোধা – এয়া শেষৰ ফালৰ কথা। এতিয়াতো ক্ৰমানুসৰি হয়। কিছুমানেতো ভিতৰি আনন্দৰ গীত গাই থাকে – অহো! পৰমপিতা পৰমাত্মাক আমি পাইছোঁ, তেওঁৰ পৰা আমি উত্তৰাধিকাৰ লওঁ। তেওঁলোকৰ ওচৰত কোনো ওজৰ-আপত্তি থাকিব নোৱাৰে। কোনোবাই কিবা কলে সেয়া শুনিও তালৈ ভ্ৰুক্ষেপ নকৰি নিজৰ আনন্দত মতলীয়া হৈ থাকিব লাগে। কোনো ৰোগ বা দুখ আদি হ'লে তোমালোক কেৱল স্মৃতিত থাকা। এই হিচাপ-নিকাচ এতিয়াই নিষ্পত্তি কৰিব লাগে তেতিয়া তোমালোক 21 জন্ম ফুল হৈ যোৱা। তাত দুখৰ কথাই নাথাকিব। গায়নো কৰা হয় - আনন্দৰ নিচিনা খোৰাক (পথ্য) নাই। তেতিয়া এলাহ আদি সকলো আঁতৰি যায়, এয়া হ'ল সঁচা আনন্দ, সেয়া হ'ল মিছা। ধন পালে, আ-অলংকাৰ পালে তেতিয়া আনন্দিত হৈ যাব। এয়া হৈছে বেহদৰ কথা। তোমালোকতো অপাৰ আনন্দিত হৈ থাকিব লাগে। এইটো জানা যে 21জন্মৰ বাবে সদায় সুখী হৈ থাকিম। এইটো স্মৃতিত থাকিবা - আমি কি হ'মগৈ। 'বাবা' বুলি কোৱাৰ লগে লগে দুখ দূৰ হৈ যোৱা উচিত। এয়াতো হৈছে 21জন্মৰ আনন্দ। এতিয়া কেইটামান দিনহে বাকী আছে। আমি নিজৰ সুখধামলৈ যাওঁ। আৰু যাতে একোৱে স্মৃতিত নাথাকে। এই পিতাই নিজৰ অনুভৱ শুনায়। কিমান খবৰ আহে, হাই–কাজিয়া চলি থাকে। পিতাৰ জানো কিবা কথাৰ বাবে দুখ হয়! শুনিলে, ঠিক আছে এয়া হ'বলগীয়া আছিল। এয়াতো একোৱেই নহয়, আমিতো সীমাহীন সম্পদৰ মালিক হ'মগৈ। নিজৰ সৈতে বাৰ্তালাপ কৰিলেহে আনন্দ পোৱা যায়। যি অতি শান্ত হৈ থাকে তেওঁৰ চেহেৰা প্ৰফুল্লিত হৈ থাকিব। বৃত্তি আদি পালে তেতিয়া চেহেৰা কিমান হৰ্ষিত হৈ থাকে। এই লক্ষ্মী–নাৰায়ণৰ নিচিনা হৰ্ষিত মুখৰ হ'বলৈ তোমালোকেও পুৰুষাৰ্থ কৰি আছা। তেওঁলোকৰতো জ্ঞান নাই। তোমালোকৰতো জ্ঞানো আছে গতিকে আনন্দিত হৈ থাকিব লাগে। হৰ্ষিত স্বভাৱৰ হ'ব লাগে। এই দেৱতাসকলতকৈ তোমালোক বহুত উচ্চ। জ্ঞানৰ সাগৰ পিতাই আমাক কিমান উচ্চ জ্ঞান দিয়ে। অবিনাশী জ্ঞান ৰত্নৰ লটাৰি পাই আছা তেন্তে কিমান আনন্দিত হৈ থাকিব লাগে। তোমালোকৰ এইটো জন্ম হীৰা তুল্য বুলি গায়ন কৰা হয়। জ্ঞানেৰে পৰিপূৰ্ণ বুলি পিতাকহে কোৱা হয়। এই দেৱতাসকলক কোৱা নহয়। তোমালোক ব্ৰাহ্মণসকলহে জ্ঞানেৰে পৰিপূৰ্ণ হোৱা, সেই বাবেই তোমালোক জ্ঞানৰ আনন্দত থাকা। এফালেতো পিতাক পোৱাৰ আনন্দ থাকে। তোমালোকৰ বাহিৰে আন কাৰো এই আনন্দ থাকিব নোৱাৰে। ভক্তিমাৰ্গত আচল সুখ নাথাকে। ভক্তিমাৰ্গৰ সুখ কৃত্ৰিম আৰু খন্তেকীয়া। সেইখনৰ নামেই হৈছে স্বৰ্গ, সুখধাম আৰু 'হেভেন'। তাত অপাৰ সুখ, ইয়াত অপাৰ দুখ। এতিয়া সন্তানসকলে জানিব পাৰে - ৰাৱণৰাজ্যত আমি কিমান ছিঃ ছিঃ হৈ গ'লোঁ। লাহে লাহে অৱনমিত হৈ আহিছোঁ। এইখন হয়েই বিষয় সাগৰ। এতিয়া পিতাই এই বিহৰ সাগৰৰ পৰা উলিয়াই তোমালোকক ক্ষীৰ সাগৰলৈ লৈ যায়। সন্তানসকলৰ ইয়াত বহুত মিঠা লাগে কিন্তু পাহৰি গ'লে কি অৱস্থা হৈ যায়। পিতাই কিমান সীমাহীন আনন্দিত কৰি দিয়ে। এই জ্ঞান অমৃতৰে গায়ন আছে। জ্ঞান অমৃতৰ গিলাচ পান কৰি থাকিব লাগে। ইয়াত তোমালোকৰ বহুত ভাল নিচা থাকে আকৌ

বাহিৰলৈ ওলাই গ'লে সেই নিচা কম হৈ যায়। বাবাই নিজেই অনুভৱ কৰে, ইয়াত সন্তানসকলৰ ভাল অনুভৱ হয় - আমি নিজৰ ঘৰলৈ যাওঁ, আমি পিতাৰ শ্ৰীমতত ৰাজধানী স্থাপনা কৰি আছোঁ। আমি অতি শক্তিশালী যোদ্ধা। এই সকলো জ্ঞান বুদ্ধিত আছে, যাৰ দ্বাৰা তোমালোকে ইমান পদ প্ৰাপ্ত কৰা। চোৰাচোন কোনে পঢ়ায়! বেহদৰ পিতাই একেবাৰে পৰিৱৰ্তন কৰি দিয়ে। তেন্তে সন্তানসকলৰ অন্তৰ কিমান যে আনন্দিত হ'ব লাগে। এইটোও অন্তৰত উদয় হ'ব লাগে যে আনকো আনন্দিত কৰি তোলোঁ। ৰাৱণৰ পৰা অভিশাপ আৰু পিতাৰ পৰা সম্পত্তি প্ৰাপ্ত হয়। তোমালোক ৰাৱণৰ অভিশাপৰ কাৰণে কিমান যে অশান্ত আৰু দুখী হৈ গ'লা। বহুত গোপো (ভ্ৰাতৃ) আছে যিয়ে অন্তৰেৰে সেৱা কৰিব বিচাৰে। কিন্তু (জ্ঞান) কলহ মাতাসকলেহে পায়। শক্তিৰ দল হয় নহয়। বন্দে মাতৰম্ বুলি গায়ন কৰা হয়। লগতে বন্দে পিতৰম্‌তো আছেই। কিন্তু নাম মাতাসকলৰ। প্ৰথমে লক্ষ্মী পাছত নাৰায়ণ। প্ৰথমে সীতা পাছত ৰাম। ইয়াত প্ৰথমে পুৰুষৰ পাছতহে স্ত্ৰীৰ নাম লিখে। এয়াও খেল নহয় জানো। পিতাই বুজাওঁতেতো সকলো কথাই বুজায়। ভক্তিমাৰ্গৰ ৰহস্যও বুজায়। ভক্তিত কি কি হৈ থাকে। যেতিয়ালৈকে জ্ঞান পোৱা নাযায় তেতিয়ালৈকে বুজি নাপায়। এতিয়া তোমালোক সকলোৰে চৰিত্ৰৰ শুধৰণি হয়। তোমালোকৰ দৈৱী চৰিত্ৰ গঠন হৈ আছে। 5 বিকাৰৰ বাবে চৰিত্ৰ আসুৰি হৈ যায়। কিমান পৰিৱৰ্তন হয়। গতিকে পৰিৱৰ্তন হ'ব নালাগে জানো। শৰীৰ এৰিবলগীয়া হ'লে পৰিৱৰ্তন হ'ব পাৰিবা জানো। পিতাৰ শক্তি আছে – কিমানক পৰিৱৰ্তন কৰায়। কিছুমান সন্তানে নিজৰ অনুভৱ শুনায় - মই বহুত কামী, মদাহী আছিলোঁ – মোৰ বহুত পৰিৱৰ্তন হৈ গ'ল। এতিয়া মই বহুত স্নেহেৰে থাকোঁ। প্ৰেমৰ চকুলোও ওলাই আহে। পিতাই বহুত কথাই বুজায় কিন্তু এই সকলোবোৰ কথা পাহৰি যায়। নহ'লেতো সীমাহীন আনন্দ থাকিব। মই বহুতৰে কল্যাণ কৰিম। মনুষ্য বহুত দুখী, তেওঁলোকক মাৰ্গ-দৰ্শন কৰাওঁ। বুজাবলৈও কিমান পৰিশ্ৰম কৰিবলগীয়া হয়। গালিও শুনিবলগীয়া হয়। প্ৰথমৰ পৰাই এইটো দৃষ্টিভংগী আছে যে ভ্ৰাতৃ-ভগ্নী কৰি দিয়ে। হেৰ' ভ্ৰাতৃ-ভগ্নীৰ সমন্ধতো ভাল নহয় জানো। তোমালোক আত্মাসকলতো ভাই ভাই হোৱা। কিন্তু তথাপিও জন্ম-জন্মান্তৰৰ দৃষ্টি যি দৃঢ় হৈ গৈছে সেয়া আঁতৰিয়ে নাযায়। বাবাৰ ওচৰলৈ খা-খবৰ বহুত আহে। পিতাই বুজায় - এই ছিঃ ছিঃ জগতৰ পৰা তোমালোকৰ অন্তৰৰ আকৰ্ষণ আঁতৰি যোৱা উচিত। ফুল হ'ব লাগে। কিমানে জ্ঞান শুনিও পাহৰি যায়। সকলো জ্ঞান উৰি যায়। কাম মহা শত্ৰু নহয় জানো। বাবাতো বহুত অনুভৱী হয়। এই বিকাৰৰ বাবেই ৰজাসকলে নিজৰ ৰাজ্য হেৰুৱাইছে। কাম বিকাৰ বহুত বেয়া। সকলোৱেই কয়ো যে বাবা এই কাম অতি কাঢ়া শত্ৰু। পিতাই কয় - কাম বিকাৰৰ ওপৰত বিজয়ী হ'লে তোমালোক বিশ্বৰ মালিক হ'বাগৈ। কিন্তু এই কাম বিকাৰ ইমান কাঢ়া যে প্ৰতিজ্ঞা কৰিও আকৌ বাগৰি পৰে। কাচিৎহে কাৰোবাৰ শুধৰণি হয়। এই সময়ত গোটেই জগতৰে চৰিত্ৰৰ অধঃপতন হৈছে। পবিত্ৰ সৃষ্টি কেতিয়া আছিল, কেনেকৈ হ'ল, এওঁলোকে ৰাজ্য-ভাগ্য কেনেকৈ পালে, এই কথাবোৰ কেতিয়াও কোনেও ক'ব নোৱাৰে। এনেকুৱা সময় আহিব তোমালোক বিলাত আদিলৈও যাবা। তেওঁলোকেও শুনিব – স্বৰ্গ কেনেকৈ স্থাপনা হয়। তোমালোকৰ বুদ্ধিত এই সকলোবোৰ কথা ভালদৰে আছে। গতিকে তোমালোকৰ এতিয়া এইটোৱে চিন্তা থকা উচিত, অন্য সকলো কথা পাহৰি যাব লাগে। ভালবাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) উঠোঁতে, বহোঁতে, চলোঁতে জ্ঞান মন্থন কৰি মুকুতা গ্ৰহণ কৰোঁতা হংস হ'ব লাগে। সকলোৰে পৰা গুণ গ্ৰহণ কৰিব লাগে। ইজনে সিজনক মাজত গুণৰহে আদান-প্ৰদান কৰিব লাগে।

(2) নিজৰ চেহেৰা সদায় আনন্দময় কৰি ৰাখিবলৈ নিজে নিজৰ সৈতে কথা পাতিব লাগে – অহো! মই সীমাহীন সম্পদৰ মালিক হৈ আছোঁ। জ্ঞান সাগৰ পিতাৰ দ্বাৰা মই জ্ঞান ৰত্নৰ লটাৰি প্ৰাপ্ত কৰি আছোঁ।

বৰদান: নিজৰ উপাধিৰ স্মৃতিৰ লগতে সমৰ্থ স্থিতি গঢ়ি তোলোঁতা স্বমানধাৰী হোৱা।

সংগমযুগত স্বয়ং পিতাই নিজৰ সন্তানসকলক শ্ৰেষ্ঠ উপাধি দিছে, গতিকে সেই আত্মিক নিচাত থাকা। যেনেকুৱা উপাধি স্মৃতিলৈ আহে তেনেকুৱা সমৰ্থ স্থিতি হৈ যায়। যেনেকুৱা তোমালোকৰ উপাধি হৈছে স্বদৰ্শন চক্ৰধাৰী গতিকে এই স্মৃতি অহাৰ লগে লগে পৰদৰ্শন সমাপ্ত হৈ যায়, স্বদৰ্শনৰ আগত মায়াৰ শিৰচ্ছেদ হৈ যায়। মহাবীৰ হওঁ, এইটো উপাধি স্মৃতিলৈ আহিলে স্থিতি অবিচলিত হৈ যায়। তেন্তে উপাধিৰ স্মৃতিৰ লগতে সমৰ্থ স্থিতি গঢ়ি তোলা তেতিয়া শ্ৰেষ্ঠ স্বমানধাৰী বুলি কোৱা হ'ব।

শ্লোগান: দিগভ্ৰান্ত আত্মাসকলৰ ইচ্ছা পূৰ্ণ কৰিবলৈ চিনাক্তকৰণ শক্তিক বঢ়োৱা।

!! ওঁম্ শান্তি !!

সফলতামূৰ্ত হ’বলৈ আজিৰ অব্যক্ত সংকেত:

নিজৰ স্থিতিৰ অস্থিৰতাই স্পষ্ট কথাও অস্পষ্ট কৰি দিয়ে। বিভ্ৰান্তিৰ কাৰণে দীপ্তিমান হ’ব নোৱাৰে সেইকাৰণে নিজৰ স্থিতিৰ অস্থিৰতা যাতে নাথাকে তেতিয়া স্মৃতি স্পষ্ট হ’ব। যিমানে নিজৰ প্ৰতি ধ্যান ৰাখিবা সিমানে স্পষ্ট হৈ গৈ থাকিব আৰু সিমানেই নিজৰ পুৰুষাৰ্থত বা সেৱাত সফলতা স্পষ্ট আৰু সমীপত দৃষ্টিগোচৰ হ’ব।